# 2018

# ASSAMESE

## ( Elective )

Paper : 5.1

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। এটা শব্দ বা বাক্যত উত্তৰ দিয়া : ১×১০=১০

(ক) ১ নং চৰ্যাপদৰ ৰচক লুইপাদ কোন অঞ্চলৰ লোক আছিল ?

(খ) 'নন্দোৎসৱ' কবিতাটি কোনখন গ্ৰন্থৰ পৰা সংগৃহীত ?

(গ) 'কাণখোৱা'ৰ বাহিৰে শ্ৰীধৰ কন্দলিৰ ৰচিত অন্য এখন গ্ৰন্থৰ নাম লিখা।

(ঘ) 'উষা-পৰিণয়' কাব্যৰ ৰচক কোন ?

(ঙ) 'ৰংপুৰ নগৰৰ বৰ্ণনা' কবিতাটি কোনখন গ্ৰন্থৰ পৰা লোৱা হৈছে ?

(চ) অসমীয়া সাহিত্যত 'ব্যাস'ৰূপে কোনগৰাকী কবিক অভিহিত কৰা হয় ?

(ছ) নলিনীবালা দেৱীয়ে কোনখন কাব্যগ্ৰন্থৰ বাবে সাহিত্য অকাডেমি বঁটা লাভ কৰিছিল?

(জ) ৰঘুনাথ চৌধাৰী ৰচিত কথা-কবিতা পুথিখনৰ নাম কি?

(ঝ) অসমীয়া কবিতাত কোনগৰাকী কবিয়ে পোনপ্ৰথমে নাটকীয় স্বগতোক্তিৰ প্ৰয়োগ কৰিছিল?

(ঞ) পৌৰাণিক চৰিত্ৰক আধাৰ হিচাপে লৈ নৱকান্ত বৰুৱাই ৰচনা কৰা এটি কবিতাৰ নাম লিখা।

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) হৰপ্ৰসাদ শাস্ত্ৰীয়ে নেপালৰ ৰাজদৰবাৰৰ গ্ৰন্থালয়ৰ পৰা সংগ্ৰহ কৰা বৌদ্ধ গানসমূহ কি নামেৰে, কোন চনত গ্ৰন্থাকাৰে প্ৰকাশ কৰিছিল?

(খ) চিত্ৰলেখাই পট নিৰ্মাণ কৰাৰ পূৰ্বে কাৰ ওচৰলৈ গৈ কি বৰ মাগিছিল?

(গ) যতীন্দ্ৰনাথ দুৱৰাৰ 'ওমৰ তীৰ্থ' নামৰ অনুবাদ গ্ৰন্থখনৰ মূল কবিগৰাকীৰ আৰু কাব্যগ্ৰন্থখনৰ নাম লিখা।

(ঘ) নলিনীবালা দেৱী কোন যুগৰ কবি? তেওঁৰ কবিতাৰ মূল সুৰটো কি?

(ঙ) নিৰ্মলপ্ৰভা বৰদলৈয়ে 'দ্ৰৌপদী' কবিতাটিত সৌন্দৰ্য ক'ত ক'ত লুকাই থাকে বুলি কৈছে?





৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ কৰা : ৫×৪=২০

(ক) নন্দৰ ঘৰত পুত্ৰ উপজাৰ বতৰা শুনি গোপীগণে কেনেদৰে সাজি-কাচি নন্দৰ ঘৰলৈ গৈছে, বৰ্ণনা কৰা।

(খ) সপোন স্বামীক হেৰুৱাই বিৰহ-বিহ্বলা হোৱা উষাক চিত্ৰলেখাই কেনেদৰে সান্ত্বনা দিছে, লিখা।

(গ) "এৰি দুৰ্যোধনক অনায়ো পাণ্ডৱক।
ময়ূৰক ৰাখি ৰাজা এৰিয়ো কাকক॥"

উক্ত কথাষাৰি বিদুৰে কি পৰিস্থিতিত ধৃতৰাষ্ট্ৰক ক'বলগীয়া হৈছিল, বুজাই লিখা।

(ঘ) 'কেতেকী' কবিতাটিত কবিয়ে কেতেকী চৰাইজনীক কিয় 'নিৰাশাৰ আশা' বুলি কৈছে, বহলাই লিখা।

(ঙ) কবি দেৱকান্ত বৰুৱাৰ 'আমি দুৱাৰ মুকলি কৰোঁ' কবিতাটিত বিশ্বৰ বিভিন্ন ঠাইৰ প্ৰসংগ কিদৰে উত্থাপন কৰিছে, আলোচনা কৰা।

(চ) নৱকান্ত বৰুৱাৰ 'পলস' কবিতাটিৰ তাৎপৰ্য বিশ্লেষণ কৰা।

৪। (ক) লুইপাদৰ ১নং চৰ্যাপদটিৰ অন্তৰ্নিহিত ভাব তোমাৰ ভাষাৰে বৰ্ণনা কৰা। ১০

*অথবা*

(খ) শ্ৰীধৰ কন্দলিৰ 'কাণখোৱা' কবিতাটিত ভগৱানৰ অৱতাৰৰ বৰ্ণনা কিদৰে দাঙি ধৰিছে, আলোচনা কৰা। ১০

৫। (ক) 'ৰংপুৰ নগৰৰ বৰ্ণনা' শীৰ্ষক কবিতাটিত কবিয়ে ৰংপুৰ নগৰৰ বিৱৰণ কিদৰে দিছে, তোমাৰ ভাষাৰে লিখা। ১০

*অথবা*

(খ) 'ধৃতৰাষ্ট্ৰ-বিদুৰ সংবাদ' কবিতাটিৰ আধাৰত ধৃতৰাষ্ট্ৰ আৰু বিদুৰ চৰিত্ৰ দুটাৰ বিশ্লেষণ আগবঢ়োৱা। ১০

৬। (ক) 'সোণোৱালী দেশ' কবিতাটিত আশাবাদ আৰু নিৰাশাবাদ কিদৰে ফুটি উঠিছে, আলোচনা কৰা। ১০

*অথবা*

(খ) নলিনীবালা দেৱীৰ 'পৰম তৃষ্ণা' কবিতাটি অতীন্দ্ৰিয়বাদী কবিতা হিচাপে বিচাৰ কৰা। ১০

৭। (ক) নিৰ্মলপ্ৰভা বৰদলৈৰ 'দ্ৰৌপদী' কবিতাটিত নাৰী মনস্তত্ত্ব কেনেদৰে প্ৰকাশ পাইছে, ফঁহিয়াই দেখুওৱা। ১০

*অথবা*

(খ) দেৱকান্ত বৰুৱাক কিয় 'যুগ-সন্ধিৰ কবি' বা 'দোমোজাৰ কবি' বুলি কোৱা হয়, 'আমি দুৱাৰ মুকলি কৰোঁ' শীৰ্ষক কবিতাটিৰ আলমত বিশ্লেষণ কৰা। ১০

★★★